समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



সপ্তম শ্ৰেণীৰ বাবে

অংকুৰণ

পাঠ - ৬

নোকোৱাৰ পৰিণাম

অংশ - ৪

অংগৰাগ ভূঞা

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৬। দলত আলোচনা কৰি লিখা।

উপযুক্ত সময়ত বেমাৰৰ চিকিৎসা নকৰিলে পৰিণাম কি হ'ব পাৰে?



খ - ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

'.....বোধকৰোঁ মাক-দেউতাকে চিকিৎসাৰ ব্যৱস্থা কৰা নাই'।

পাঠত পোৱা ওপৰৰ বাক্যটোত থকা দেউতাকে পদটো সম্বন্ধবাচক, দেউতা শব্দটোৰ লগত প্রথমতে ক আৰু তাৰ পাছত -এ বিভক্তি লগ লাগি গঠিত হৈছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ভাষা সৌৰভ

সম্বন্ধবাচক শব্দত বিভক্তি লগাই কথা কোৱাটো অসমীয়া ভাষাৰ এটা বিশেষ বৈশিষ্ট্য। সেইকাৰণে ককা, আইতা, ভাই, ভনী, খুৰা, খুৰী আদি বিশেষ্য শব্দ যাৰ লগত সম্বন্ধযুক্ত হয়, তাৰ মান অনুসৰি অনাদৰত -ৰ, এৰ, আদৰত -ৰা, -এৰা আৰু মান্যার্থত ক্ৰ, অক্ৰ লগ লাগে। তাৰ পাছতহে কাৰক বিভক্তি যোগ হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation


উদাহৰণ স্বৰূপে —

- তোৰ দেউতাৰে (দেউতা+ৰ+এ) খেতি-বাতি কৰিছিল।
- তোমাৰ আইতাৰাই (আইতা+ৰা+ই) বিয়ানাম গাইছে।
- তেওঁৰ ককাকে (ককা+ক+এ) সাধুকথা কয়।
- তেখেতৰ খুৰাকে (খুৰা+ক+এ) বেহেলা বজায়।
- সিহঁতৰ মাকে (মা+ক+এ) তাঁত বয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৭। তলৰ সম্বন্ধবাচক শব্দকেইটা ভাঙি দেখুওৱা –



মাৰা,

ভায়েৰ,

ভনীয়েৰা,

খুড়ীয়েকক

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation


উত্তৰঃ-

মাৰা = মা + ৰা

ভায়েৰা = ভাই + এ + ৰা

ভনীয়েৰা= ভনী + এ + ৰা

খুড়ীয়েকক = খুৰী + এ + ক + ক



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(ক) সর্বনাশ! চেঙেলপাট মুখত লগাবানে?


(খ) শৈল, ফোঁটটো লৈ লোৱা।

(গ) এৰা, ৰিহাখন ঠিক-ঠাক কৰি লওঁ ৰ'বা।

ওপৰৰ প্ৰথম বাক্যটোত চেঙেল শব্দৰ লগত লগ হোৱা প্ৰাট, ফোট শব্দৰ লগত টো আৰু ৰিহা শব্দৰ লগত খন যোগ হৈছে। এনেদৰে শব্দত যোগ হোৱা-পাট, -টো, -খন আদিক নির্দিষ্টতাবাচক প্রত্যয় বোলে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



অসমীয়া ভাষাত ইয়াৰ বাহিৰে — জন, জনী, গৰাকী, টো, -টি, টা, কণ, কণি, -খিলা, -চটা, -ডাল, ডালি, খন, খনি, গছ, -গছি, পাট, -পাটি আদি বহুতো নির্দিষ্টতাবাচক প্রত্যয় আছে। (যিহেতু এইবোৰ মূল শব্দৰ পাছত বহে সেই কাৰণে, তাৰ আগত এডাল (-) দিয়া হৈছে। কিন্তু প্রয়োগৰ সময়ত (-) ডালৰ প্রয়োজন নাই। যেনেঃ-পাট, চেঙেলপাট)।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৮। বাওঁফালে দিয়া শব্দবোৰৰ লগত সোঁফালে থকা নির্দিষ্টতাবাচক প্রত্যয়বোৰ মিলোৱা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৯। 'চোৱাচোন! ফুলবোৰ কিমান সতেজ আৰু জীপাল!'— এই বাক্যটিত থকা 'জীপাল' শব্দটো জীপ শব্দৰ লগত -'আল' প্ৰত্যয় যোগ হৈ 'জীপাল' শব্দ গঠিত হৈছে। তেনেদৰে তলৰ শব্দকেইটা গঠন কৰা—




समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

গ- জ্ঞান সম্প্রসাৰণ

১০। নাটিকাখনিৰ প্ৰথম দৃশ্যৰ লগত থকা ছবিখন চোৱা আৰু ছবিখনত দেখা কথাখিনি বৰ্ণনা কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১১। পঢ়োঁ আহা

কদমণি গাঁও নিবাসী ৩৫ বছৰীয়া কুলেন চন্দ্র দাসে কৃষিকর্ম কৰি জীৱিকা নির্বাহ কৰে। সেইদিনা দেওবাৰ, তেওঁ পুৱতিনিশা ওচৰৰে বিলত মাছ মাৰিবলৈ গৈছিল। মাছ মাৰি থাকোঁতে হঠাতে তেওঁক বিষাক্ত সাপে দংশন কৰিলে। তেওঁ লৰালৰিকৈ ঘৰলৈ আহি কথাটো পৰিয়ালক জনালে।

ঘৰখনত হুৱা-দুৱা লাগিল। ককায়েকে ততাতৈয়াকৈ ওজাক মাতি আনি জৰা-ফুঁকা আৰম্ভ কৰিলে। পিছে লাহে লাহে ৰোগীৰ অৱস্থা বেয়াৰ ফাললৈ ঢাল খালে। সৰ্প দংশনৰ বাতৰি গোটেই গাঁৱতে বিয়পি পৰিল। স্থানীয় প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক অৰ্জুন শৰ্মাই কথাটো শুনি দাসৰ ঘৰলৈ আহিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা


Under CSR Support by
ipca | Foundation

তেখেতে লগে লগে ১০৮ সেৱাক মাতি দাসক চিকিৎসালয়লৈ নিয়াৰ ব্যৱস্থা কৰিলে। চিকিৎসালয়ত চিকিৎসকৰ আশাসুধীয়া চেষ্টাৰ ফলত দাসৰ স্বাস্থ্য ক্ৰমে ভাললৈ আহিবলৈ ধৰিলে। আজিৰ যুগতো এনেধৰণে জৰা-ফুঁকা কৰা কাৰ্যৰ বাবে দাসৰ পৰিয়ালক সকলোৱে সমালোচনা কৰিলে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation


১২। তোমাৰ গাঁৱত বা ওচৰ-চুবুৰীয়াই এনেধৰণৰ সমস্যা (সৰ্প দংশন, জণ্ডিচ, বসন্ত) আদিত পৰিলে তুমি কেনে ধৰণৰ মতামত আগবঢ়াবা আৰু কি ধৰণে সহায় কৰিবা কোৱা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৩। তুমি নিশ্চয় ভাওনা, ভ্রাম্যমাণ থিয়েটাৰৰ নাটক আৰু দূৰদৰ্শনৰ নাটক বা ধাৰাবাহিক চাইছা। তুমি চাই আনন্দ লভা এনে নাটকসমূহৰ এখন তালিকা প্ৰস্তুত কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ঘ - প্ৰকল্প

১৪। বিদ্যালয়ৰ 'গ্ৰীষ্মকালীন শিবিৰত' অনুষ্ঠিত হোৱা বিভিন্ন অনুষ্ঠানৰ (চিত্ৰাংকন, নৃত্যগীত, অভিনয়, আবৃত্তি আদিৰ) বিষয়ে বৰ্ণনা কৰি এখন প্ৰতিৱেদন প্ৰস্তুত কৰা।

